ভাষা-সাহিত্য-সংস্কৃতিৰ পূৰ্ণাংগ আলোচনী

মাহেকীয়া

# বাৰ্তাপখিলী

চতুৰ্বিংশ বছৰ ■ সপ্তম সংখ্যা ■ এপ্ৰিল ২০১৯ ■ মূল্য ঃ ৮০ টকা

ISSN 2249-9865
১ এপ্ৰিল, ২০১৯

Rishi's Maina


সগৌৰৱে
২৪ বছৰত



বসন্ত
সাহিত্য
সম্ভাৰ

Principal
Mayang Anchalik College
Date................

▸বিহুগীতত প্ৰকৃতিৰ বিনন্দীয়া ৰূপ/৩১০
✍ অঞ্জু বৰা দত্ত
▸অসমৰ উৎসৱ ব'হাগ বিহু/৩৫৯
✍ স্মৃতিজ্যোতি গোস্বামী
▸মৰাণ জনগোষ্ঠী আৰু ঠেঙাল কছাৰীসকলৰ ব'হাগ বিহুৰ স্বকীয় পৰম্পৰা/৩৬১
✍ ড° পল্লৱী আৰন্ধৰা
▸ব'হাগ মাহ আৰু জনবিশ্বাস/৩৬৩
✍ ৰাজীৱ চন্দ্ৰ দেৱগোস্বামী
▸বিহু আনন্দীয়া বিহু বিনন্দীয়া/৩৬৪
✍ জীৱন ঘৰফলীয়া
▸ব'হাগীৰ বুকুৰ বিলত হুঁচৰিৰ কোৰ্হাল/৩৬৬
✍ অজিত দত্ত



## প্ৰবন্ধ

▸'কীৰ্তন'ত প্ৰকৃতিৰ ৰূপ/৩৬
✍ ড° নমিতা ডেকা
▸আবেগ নিয়ন্ত্ৰণ হৈছে কবিতাৰ শ্ৰেষ্ঠ সাধনা/৪০
✍ ড° অনিল কুমাৰ শইকীয়া
▸জ্যেষ্ঠ অসমীয়া কবিৰ কবিতা/৪৭
✍ ড° আনন্দ বৰমুদৈ
▸গোৱালপৰীয়া শব্দ-সম্ভাৰ/৫০
✍ ড° উপেন ৰাভা হাকাচাম
▸কেশৱ মহন্তৰ গীতত লোক-সাংস্কৃতিক সমল/৭০
✍ ড° লীনা ডেকা
▸'মৃচ্ছকতিকম্'ত শূদ্ৰকৰ নাট্য প্ৰতিভাৰ প্ৰতিফলন/৮১
✍ ড° বসন্ত কুমাৰ শৰ্মা



▸চৈয়দ আব্দুল মালিকৰ উপন্যাসত লোক-সাংস্কৃতিক সমল/৮৩
✍ ড° কনক চন্দ্ৰ চহৰীয়া
▸ৰবীন্দ্ৰ-কাব্য আৰু দৰ্শনত মানৱ ধৰ্ম/৯০
✍ ড° নীলমোহন ৰায়
▸অসমীয়া গীত আৰু গীতি সাহিত্যলৈ ক... অৱদান/১০৫
✍ বৰ্ণালী কটকী ওজা
▸প্ৰসংগ ঃ শিশু সাহিত্য/১১৫
✍ ড° লক্ষী দাস পাঠক
▸শ্ৰীমন্ত শংকৰদেৱৰ কাব্যত প্ৰতিফলিত সমাজ-জীৱন/১৪৬
✍ ড° মামণি বৰা খাৰঘৰীয়া
▸শংকৰদেৱ আৰু শ্বেইক্সপীয়েৰ/১৮৬
✍ ড° বিৰিঞ্চি কুমাৰ দাস
▸'নীলকণ্ঠী ব্ৰজ' উপন্যাস, অতি বাস্তৱবাদ আৰু... প্ৰসংগ/১৮৮
✍ ড° পংকজ কুমাৰ বৰা
▸বড়ু চণ্ডীদাসৰ শ্ৰীকৃষ্ণকীৰ্ত্তন/২০০
✍ ড° প্ৰফুল্ল কুমাৰ নাথ
▸সৰ্বপল্লী ৰাধাকৃষ্ণনৰ দৰ্শন-সাহিত্যৰ চৰ্চা/২১২
✍ টুনুৰাণী গগৈ কলিতা
▸মাধৱ কন্দলিৰ ৰামায়ণত অসমীয়া ভাষা সাহি... ঐতিহ্য/২২২
✍ কন্দৰ্প কুমাৰ কলিতা
▸লক্ষ্মীনন্দন বৰাৰ 'গঙা চিলনীৰ পাখি' উপন্যাসৰ... ভাবনা/২২৭
✍ বৃষ্টি কলিতা



Principal
Mayang Anchalik College
Date.................

প্ৰবন্ধ

# লক্ষ্মীনন্দন বৰাৰ 'গঙা চিলনীৰ পাখি' উপন্যাসৰ সমাজ-ভাবনা

বৃষ্টি কলিতা

০.১ অৱতৰণিকা ঃ

অসমীয়া সাহিত্যত নিৰৱছিন্নভাৱে সেৱা আগবঢ়াই অহা প্ৰথিতযশা সাহিত্যিক লক্ষ্মীনন্দন বৰাদেৱে সমগ্ৰ অসমীয়া কথা-সাহিত্যক এখন সুকীয়া আসনত প্ৰতিষ্ঠিত কৰাবলৈ সক্ষম হৈছে। অফুৰন্ত কল্পনা আৰু উদ্ভাৱনী শক্তিৰে অসমীয়া সাহিত্যক এক নতুন মাত্ৰা প্ৰদান কৰিবলৈ সক্ষম হোৱা লক্ষ্মীনন্দন বৰা কেৱল অসমীয়া কথা সাহিত্যৰে নহয়, সমগ্ৰ ভাৰতীয় সাহিত্যতে এক নিগাজী স্থান দখল কৰিবলৈ সক্ষম হৈছে। 'ভাওনা' গল্পৰে সাহিত্যৰ জগতত খোজ পেলাবলৈ সক্ষম হোৱা লক্ষ্মীনন্দন বৰাদেৱে প্ৰথমে গল্প ৰচনাৰে সাহিত্যৰ জগতখনত খোপনি পুতিবলৈ সক্ষম হয়। ভাওনা, সম্পত্তিৰ বাপেক, গুৰুপৰ্ব - এই তিনিওটা বৰাদেৱৰ সাহিত্যিক জীৱনৰ প্ৰথম কীৰ্তি। বিজ্ঞানৰ ছাত্ৰ হৈও সাহিত্যৰ প্ৰতি থকা অকৃত্ৰিম ৰাপৰ বাবেই তেখেতে সাহিত্য চৰ্চাত মনোনিৱেশ কৰে। গল্পকাৰৰূপে সমাদৃত হোৱাৰ লগতে তেখেত ঔপন্যাসিক ৰূপেও সমানে জনপ্ৰিয়। বিভিন্ন বিষয়বস্তুৰে উপন্যাস ৰচনা কৰি খ্যাতি অৰ্জন কৰিলেও তেখেতৰ সৰহভাগ ৰচনাৰ মূখ্য সমল হৈছে গ্ৰাম্য জীৱন। গ্ৰাম্য জীৱনৰ লগতে চহৰীয়া জীৱনৰ কৃত্ৰিমতা আৰু বিলাসিতা, ৰাজনৈতিক জীৱনৰ সংকিলতা, বিজ্ঞানে মানুহৰ ওপৰত পেলোৱা প্ৰভাৱ, মহাপুৰুষৰ জীৱন-বৃত্তৰে ৰচিত আদি বিবিধ বিষয়বস্তুৰে অগতানুগতিক ৰূপে বৰাদেৱে ভালেসংখ্যক উপন্যাস ৰচনা কৰিছে। এখনৰ পাছত এখনকৈ সফল উপন্যাস তেখেতে ৰচনা কৰিছে। বিভিন্ন ব্যতিক্ৰমী বিষয়বস্তুৰে সাহিত্যৰ বিবিধ ঠাল-ঠেঙুলিৰ এক সৌধ নিৰ্মাণেৰে তেখেতে অসমীয়া সাহিত্যৰ ইতিহাসত নিজৰ বাবে এখন সুকীয়া আসন দখল কৰিবলৈ সক্ষম হৈছে। যিখন আসনৰ বাবে তেখেতে ইতিমধ্যে বিভিন্ন দিশৰ পৰা স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। স্বীকৃতি পাবৰ বাবে তেখেতে সাহিত্য সৃষ্টিত মনোনিবেশ নকৰিলেও সৃষ্টিৰ কৰ্মশালাডালেৰে তেখেতে সৃজনীশক্তিৰ শীৰ্ষ বিন্দুত উপনীত হ'বলৈ সক্ষম হৈছে।

০.২ অধ্যয়নৰ উদ্দেশ্য ঃ

লক্ষ্মীনন্দন বৰাৰ আটাইবোৰ ৰচনাৰ মাজতে অসমীয়া সমাজখনৰ জন-জীৱনৰ বিভিন্ন দিশ অতি সাৱলীল ভাষাৰে প্ৰকাশিত হৈছে। নৈপৰীয়া গ্ৰাম্য সমাজৰ এখন জীৱন্ত দলিল ৰূপে উদ্ভাসি উঠা *গঙা চিলনীৰ পাখি* উপন্যাসখনত সমাজ-জীৱনৰ সৈতে সম্পৃক্ত হৈ থকা বিভিন্ন দিশসমূহে তেখেতক কেনেদৰে এগৰাকী সমাজসচেতন ব্যক্তি ৰূপে গঢ়ি তোলাত সহায় কৰিছে সেই দিশসমূহক আলোচনাৰ আওতালৈ অনাটোৱে আমাৰ মুখ্য উদ্দেশ্য। সমাজ জীৱনৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত হৈ থকা বিভিন্ন বিষয়বস্তুৰ লগতে নাৰীৰ প্ৰতি সমাজৰ দৃষ্টিভংগীয়ে তেখেতৰ সাহিত্যক কেনেদৰে প্ৰোজ্জল কৰি তুলিছে তেনে দিশৰ আলোচনা কৰিবলৈ চেষ্টা কৰাটোৱে হৈছে এই গৱেষণা পত্ৰৰ মূল উদ্দেশ্য।

০.৩ অধ্যয়নৰ পদ্ধতিঃ

সমাজৰ বিভিন্ন দিশৰ পূৰ্ণাংগ চিত্ৰ প্ৰতিফলিত হোৱা *গঙা চিলনীৰ পাখি* উপন্যাসখনে প্ৰকাশৰ সময়ৰে পৰা বৰ্তমানলৈকে জনপ্ৰিয়তাৰ সুউচ্চ শিখৰত আৰোহণ কৰি আছে। উপন্যাসখনত সমাজভাৱনাৰ দিশ সম্পৰ্কে আলোচনা কৰিবলৈ যাওতে প্ৰধানকৈ তথাকথিত সমাজখনত বিভিন্ন দিশসমূহ অতি সূক্ষ্ম আৰু সাৱলীল ৰূপত প্ৰকাশ কৰিবলৈ সক্ষম হৈছে। এনে সূক্ষ্মাতিসূক্ষ্ম ৰূপসমূহ বিশ্লেষণাত্মক পদ্ধতিৰ জৰিয়তে আলোচনাৰ আওতালৈ আনিবলৈ প্ৰয়াস কৰা হ'ব।

০.৪ অধ্যয়নৰ পৰিসৰঃ

সমাজজীৱনৰ সৈতে পুংখানুপুংখভাৱে সংস্পৃক্ত হৈ থকা নানান দিশৰ বিষয় তেখেতৰ আটাইবোৰ উপন্যাসৰ মাজেৰে প্ৰকাশিত হৈছে। কিন্তু আমাৰ আলোচনাই তেখেতৰ প্ৰতিখন উপন্যাসৰ বিষয়সমূহ সামৰি ল'ব বিচৰা নাই। কিয়নো আমাৰ বিষয়বস্তুৰ পৰিসীমাই আটাইবোৰ কথা সামৰি ল'ব নোৱাৰে। সেয়ে *গঙা চিলনীৰ পাখি* উপন্যাসখনৰ অন্তৰ্ভাগৰ বিষয়বস্তুহে আমাৰ অধ্যয়নৰ পৰিসৰত অন্তৰ্ভুক্ত হ'ব।

০.৫ বিষয়ৰ আলোচনাঃ

১.০ সাহিত্য আৰু সমাজঃ

মানুহক লৈয়ে সমাজ গঠিত। মানুহ আৰু সমাজৰ সম্পৰ্ক ওতঃপ্ৰোত । অন্যহাতে সাহিত্যৰ সৃষ্টি মানুহৰ হাততেই। গতিকে মানুহ, সমাজ আৰু সাহিত্য তিনিওৰে মাজত এক এৰাব নোৱাৰা সম্পৰ্ক বিৰাজমান। বাস্তৱ সমাজৰ বিভিন্ন দিশ কল্পনাৰ সংমিশ্ৰণেৰে সাহিত্যৰ মাজেৰে প্ৰতিবিম্বিত কৰি তোলা হয়। সাহিত্যৰ মাজেৰে এক বিশেষ শ্ৰেণীৰ সমাজৰ প্ৰতিচ্ছৱি ফল্গুধাৰাৰ দৰে বিয়পি থাকে। কোনো সাহিত্যিকেই সমাজৰ প্ৰভাৱৰ পৰা মুক্ত হ'ব নোৱাৰে। কিয়নো প্ৰতিজন লেখকেই সমাজৰ প্ৰতি দায়বদ্ধ। তেওঁলোকৰ এনে দায়বদ্ধতা প্ৰকাশি উঠে সাহিত্যৰ মাজেৰে। সাহিত্যিকৰ সমাজ চেতনাৰ ফলত উকমুকাই থকা মানৱ জীৱনৰ বিভিন্ন সমস্যা সাহিত্যৰ পাতত বিস্তৃতভাৱে সৰস বৰ্ণনাৰে উদ্ধাসি উঠে।

যুগৰ পৰিৱৰ্তনৰ লগে লগে এখন সমাজৰ সামাজিক আদৰ্শৰো পৰিৱৰ্তন ঘটে। এনে পৰিৱৰ্তনৰ সতে মোকাবিলা কৰিবলৈ সমাজৰ প্ৰতিজন সদস্যই উঠি পৰি লাগে। এনে পৰিপ্ৰেক্ষিতত সামাজিকভাৱে দায়বদ্ধ এজন লেখকৰ সামাজিক প্ৰমূল্য জীয়াই



Principal
Mayang Anchalik College
Date..................